3 (Sem–1/CBCS) ASM HG/RC

# 2023

## ASSAMESE

## ( Honours Generic/Regular )

Paper : ASM-HG/RC-1016

( অসমীয়া ভাষাৰ ইতিহাস )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) কোনবিধ প্ৰাকৃতৰ পৰা অসমীয়া ভাষাৰ উদ্ভৱ হৈছে?

(খ) কামৰূপৰ মানুহৰ ভাষা সম্পৰ্কে চীনা পৰিব্ৰাজক হিউৱেন চাঙে কোন শতিকাত মন্তব্য কৰিছিল?

(গ) *Assamese, Its Formation and Development* গ্ৰন্থখনৰ ৰচক কোন?

(ঘ) 'চৰ্যাপদ'ৰ ভাষাক কি ভাষা হিচাপে অভিহিত কৰা হয়?

(ঙ) মাধৱ কন্দলিয়ে কোনগৰাকী ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল?

(চ) শংকৰদেৱৰ 'দশম'ৰ আধাৰগ্ৰন্থ কি?

(ছ) এবিধ মন্ত্ৰৰ নাম লিখা।

(জ) মধ্যযুগত ৰচিত অসমীয়া ভাষাৰ এখন বুৰঞ্জী পুথিৰ নাম লিখা।

(ঝ) অসমীয়া ভাষাৰ প্ৰথম আলোচনীখনৰ নাম কি?

(ঞ) 'বুঢ়ী আইৰ সাধু' প্ৰথম কোন চনত প্ৰকাশ হৈছিল?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) অসমীয়া ভাষাৰ বৈশিষ্ট্য থকা পঞ্চম শতিকাৰ দুখন শিলালিপিৰ নাম লিখা।

(খ) 'চৰ্যাপদ' সমূহ কোনে, ক'ৰ পৰা উদ্ধাৰ কৰিছিল?

(গ) কোনগৰাকী কবিয়ে, কাক 'পূৰ্বকবি অপ্ৰমাদী' আখ্যা দিছিল?

(ঘ) প্ৰথম অসমীয়া চৰিত পুথিখনৰ নাম কি? এইখন কোনে ৰচনা কৰিছিল?

(ঙ) 'আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন-চৰিত' গ্ৰন্থখনৰ ৰচক কোন? এইখন কোন চনত প্ৰকাশ হৈছিল?

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) অসমীয়া ভাষাৰ জন্ম-সম্পৰ্কীয় মত

(খ) 'চৰ্যাপদ'ৰ ভাষাগত বৈশিষ্ট্য

(গ) মাধৱ কন্দলিৰ 'ৰামায়ণ'ৰ ভাষা

(ঘ) মধ্যযুগৰ অসমীয়া ভাষাৰ বুৰঞ্জীৰ গদ্য

(ঙ) আনন্দৰাম ঢেকিয়াল ফুকন

(চ) 'বুঢ়ী আইৰ সাধু'

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) 'বুঢ়ী আইৰ সাধু'ৰ আলমত লক্ষ্মীনাথ বেজবৰুৱাৰ ভাষাৰীতি বিশ্লেষণ কৰা।

(খ) অসমীয়া ভাষাৰ ইতিহাসক বাণীকান্ত কাকতিয়ে কেইটা যুগত বিভক্ত কৰিছে? প্ৰতিটো যুগৰ পৰিচয় দি অসমীয়া ভাষাৰ বিকাশৰ এটি ৰূপৰেখা প্ৰস্তুত কৰা।

(গ) মন্ত্ৰ সাহিত্যৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে আলোচনা কৰি মন্ত্ৰ সাহিত্যৰ ভাষাৰ স্বৰূপ বিশ্লেষণ কৰা।

(ঘ) 'দশম'ৰ আধাৰত শংকৰদেৱৰ ৰচনাত ব্যৱহৃত বিভিন্ন ধৰণৰ শব্দ, ঘৰুৱা চিত্ৰ, যোজনা-পটন্তৰ আদিৰ বিষয়ে এটি সম্যক আলোচনা কৰা।

(ঙ) বুৰঞ্জী আৰু চৰিত পুথিৰ গদ্যৰ এটি তুলনামূলক আলোচনা দাঙি ধৰা।

(চ) আধুনিক অসমীয়া ভাষাৰ ভাষাগত বৈশিষ্ট্য সম্বন্ধে এটি নিবন্ধ যুগুত কৰা।

(ছ) কামৰূপৰ চৰ্যাকাৰসকলৰ পৰিচয় দাঙি ধৰি যি কোনো এগৰাকী চৰ্যাকাৰৰ ৰচনাত কামৰূপী ভাষাটোৰ প্ৰতিফলন কেনেদৰে হৈছে, দেখুৱাই দিয়া ।

(জ) হেমচন্দ্ৰ বৰুৱাৰ 'আত্মজীৱন চৰিত'ৰ ৰচনাশৈলী আলোচনা কৰা ।

★★★